# 2017

## ASSAMESE

## ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ কেতিয়া হৈছিল ?

(খ) কোনখন গ্ৰন্থত পোনপ্ৰথমে প্ৰাকৃত ভাষাৰ শিষ্ট ৰূপত প্ৰয়োগ ঘটে ?

(গ) 'অভিজ্ঞানশকুন্তলম্' নাটকৰ ৰক্ষীদ্বয় আৰু ধীবৰৰ মুখত কি প্ৰাকৃত ব্যৱহাৰ কৰা হৈছে ?

(ঘ) পালি ভাষাৰ লিখিত ৰূপে কোন সময়ত আত্মপ্ৰকাশ কৰে ?

(ঙ) 'সন্দেশৰাসক' কাব্য সৰ্বমুঠ কিমানটা গাথাৰ সমষ্টি ?

(চ) প্ৰাকৃতত ৰচনা কৰা প্ৰথম নাটকখনৰ নাম কি ?

(ছ) অৱহট্‌ঠত ৰচনা কৰা এখন গ্ৰন্থৰ নাম লিখা ।

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) বৌদ্ধ ধৰ্মৰ চতুৰাৰ্য সত্য কি কি?

(খ) 'কৰ্পূৰমঞ্জৰী'ৰ উপৰিও ৰাজশেখৰে ৰচনা কৰা দুখন নাটকৰ নাম লিখা।

(গ) ক্ৰান্তিস্তৰৰ প্ৰাকৃত বুলিলে কি বুজা?

(ঘ) 'অপ্পমাদ' শব্দৰ অৰ্থ কি?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) সংস্কৃত নাটকৰ ভাষিক বৈচিত্ৰ্য সম্পৰ্কে 'অভিজ্ঞানশকুন্তলম্' নাটকৰ আধাৰত বিশ্লেষণ কৰা।

(খ) 'সন্দেশৰাসক' কাব্যখনৰ নামৰ সাৰ্থকতা বিচাৰ কৰা।

(গ) 'প্ৰাকৃত' নামৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) 'ধম্মপদ'ত বৌদ্ধ ধৰ্মৰ আদৰ্শ কেনেদৰে প্ৰতিফলিত হৈছে? তোমাৰ পাঠ্যৰ আধাৰত বিচাৰ কৰা।

(ঙ) অবহট্‌ঠ ভাষাৰ ভাষিক বৈশিষ্ট্য লিখা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) সট্টক ৰূপে 'কৰ্পূৰমঞ্জৰী' বিচাৰ কৰাৰ লগতে নাটকখনৰ ভাষা সম্পৰ্কেও আলোচনা কৰা।

(খ) মহাৰাষ্ট্ৰী প্ৰাকৃতক আদৰ্শ প্ৰাকৃত বোলাৰ কাৰণ কি? ইয়াৰ ভাষিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা।

(গ) ভাৰতীয় আৰ্যভাষাৰ কোনটো স্তৰক 'প্ৰাকৃত' নামেৰে অভিহিত কৰা হৈছে? এই স্তৰৰ ভাষাগত বিশেষত্ব বিচাৰ কৰা।

(ঘ) অবহট্‌ঠ সাহিত্যৰ শ্ৰেণীবিভাজন কৰি 'সন্দেশৰাসক'ৰ স্থিতি নিৰ্ণয় কৰা আৰু গ্ৰন্থখনৰ বিষয়বস্তু আলোচনা কৰা।

(ঙ) পালি আৰু প্ৰাকৃত ভাষাৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা।

★★★